**2022**

# ASSAMESE

## ( Modern Indian Language )

### ( Asamiya Chutigalpa, Upanyash aru Rachana )

( Non-CBCS )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম প্ৰকাশিত চুটিগল্পটোৰ নাম কি?

(খ) 'আৱাহন' আলোচনীখন কাৰ পৃষ্ঠপোষকতাত প্ৰকাশ পাইছিল?

(গ) হেমন্তই চাকৰি কৰিবলৈ কোন দেশলৈ গৈছিল?

(ঘ) লক্ষ্মীনাথ ফুকনৰ এখন গল্পপুথিৰ নাম লিখা।

(ঙ) 'বেলিফুলৰ সপোন' নামৰ গল্পপুথিখনৰ গল্পকাৰ কোন?

(চ) 'অৱগাহন' গল্পত চিত্ৰিত বিদেশী ভদ্ৰমহিলাগৰাকীৰ নামটো লিখা।

(ছ) 'নিৰ্মল ভকত' উপন্যাসখন কিমান চনত প্ৰকাশ হৈছিল?

(জ) 'নিৰ্মল ভকত' উপন্যাসখন ইতিহাসৰ কোনটো ঘটনাৰ ওপৰত ভিত্তি কৰি ৰচিত হৈছে?

(ঝ) ইংৰাজ কবি টেনিছনৰ কোনটো কবিতাৰ লগত 'নিৰ্মল ভকত' উপন্যাসৰ সম্পৰ্ক আছে?

(ঞ) কিমান শকত আমাৰ অসম দেশ ইংৰাজ কোম্পানীয়ে লোৱা বুলি 'নিৰ্মল ভকত' উপন্যাসত উল্লেখ আছে?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) 'ধোঁৱাখোৱা' গল্পৰ মূল চৰিত্ৰ ৰামেশ্বৰ আৰু আমুকা পণ্ডিতে নাৱৰে ক'ৰ পৰা, ক'লৈ যাত্ৰা কৰিছিল?

(খ) 'ভাগ-বাটোৱাৰা' গল্পৰ শৰৎ আৰু হেমন্তৰ পত্নী দুগৰাকীৰ নাম লিখা।

(গ) "কল্যাণপুৰত তুমি আৰু ডাক্তৰ নাপালা ডাক্তৰ চক্ৰৱৰ্তীক যে মতাব খুজিছা?" কথাষাৰ কোনে, কাক কৈছিল?

(ঘ) নিৰ্মল ভকতৰ কোন জিলাৰ, কোন গাঁৱত জন্ম হৈছিল?

(ঙ) যুদ্ধ বন্দীৰূপে নিৰ্মলে কোন দেশত, কিমান বছৰকাল অতিবাহিত কৰিবলগীয়া হৈছিল?

৩। চমু উত্তৰ দিয়া (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) আৱাহন যুগৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ সামৰি এটি আলোচনা যুগুত কৰা।

(খ) 'ধোঁৱাখোৱা' গল্পটোৰ মাজেৰে সমাজ-চেতনা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।





(গ) 'ভাগ বাটোৱাৰা' গল্পত ভাতৃস্নেহ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঘ) 'অৱগাহন' গল্পত সত্ৰনগৰী মাজুলীৰ পৰিবেশ কেনেদৰে দাঙি ধৰা হৈছে, আলোচনা কৰা।

(ঙ) 'ডাক্তৰ' গল্পটোৰ মাজেৰে ডাক্তৰ চলিহাৰ চৰিত্ৰটো কেনেৰূপত দাঙি ধৰা হৈছে, আলোচনা কৰা।

(চ) 'নিৰ্মল ভকত' উপন্যাসখনত মানৰ আক্ৰমণৰ ভয়াবহতা কিদৰে দেখুওৱা হৈছে, চমুকৈ লিখা।

৪। (ক) 'ধোঁৱাখোৱা' গল্পটোৰ কাহিনীৰ আধাৰত ৰামেশ্বৰৰ চৰিত্ৰটো বিশ্লেষণ কৰা। ১০

*অথবা*

'ভাগ-বাটোৱাৰা' গল্পটোৰ কাহিনীৰ আধাৰত শৰৎ আৰু হেমন্তৰ চৰিত্ৰ দুটি আলোচনা কৰা।

(খ) 'ডাক্তৰ' গল্পটোৰ মাজেৰে দুজন চিকিৎসকৰ চৰিত্ৰৰ বিৰোধধৰ্মী কাৰ্য কেনেদৰে ফুটাই তুলিছে, আলোচনা কৰা। ১০

*অথবা*

'অৱগাহন' গল্পৰ মূল চৰিত্ৰটোৰ মাজেৰে মহানতা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) ঐতিহাসিক উপন্যাস হিচাপে ‘নির্মল ভকত’ উপন্যাসখনৰ এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

‘নির্মল ভকত’ উপন্যাসখনৰ কাহিনীভাগ চমুকৈ লিখি তাৰ মাজেৰে ‘ৰূপহী’ চৰিত্ৰটোৰ এটি বিশ্লেষণ আগবঢ়োৱা।

৫। তলৰ যি কোনো এটা বিষয়লৈ এখন ৰচনা লিখা : ১৫

(ক) মোৰ প্ৰিয় গল্পকাৰ

(খ) বিজ্ঞান আৰু আধুনিক সভ্যতা

(গ) পুথি অধ্যয়ন আৰু ইয়াৰ উপকাৰিতা

(ঘ) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ নিয়ন্ত্ৰণৰ উপায়

★★★